৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজ্যৰ মুখ্যমন্ত্ৰী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মুখ্য সচিবৰ পদটোৰ কোনো নিৰ্দিষ্ট পদাবধি নাথাকে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ i) আকস্মিক নিধিৰ পৰা খৰচৰ অনুমোদন

ii) উন্নয়নমূলক বাজেটৰ পৰিনিৰীক্ষা আৰু অনুমোদন, সম্ভাব্য খৰচ, একাউন্টচৰ গুৰু বিনিয়োগ, নিধিৰ আত্মসমৰ্পণ আৰু পৰিপূৰক অনুদান।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ i) মুখ্য মন্ত্ৰীৰ মুখ্য পৰামৰ্শদাতা হিচাপে দায়িত্ব পালন আৰু তেওঁক সকলো দায়িত্ব পালন আৰু উন্নয়নমূলক আঁচনি আৰু কাৰ্যক্ৰমসমূহ কাৰ্যন্বিত কৰাত সহায় কৰে।

ii) সচিবালয়ৰ সকলো বিভাগৰ নিয়ন্ত্ৰণ আৰু সাধাৰণ পৰ্যবেক্ষণৰ ভাৰ মুখ সচিবৰ ওপৰত ন্যস্ত থাকে।



১১.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তু ধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ মুখ্য সচিবৰ যি কোনো দুটা কাৰ্যৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ৰাজ্যিক সচিবালয়ৰ যি কোনো দুটা সেৱামূলক কাৰ্য উল্লেখ কৰক।

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাজ্য চৰকাৰৰ এগৰাকী গুৰুত্বপূৰ্ণ বিষয়া হিচাপে মুখ্য সচিবৰ ভূমিকা আৰু গুৰুত্বৰ বিষয়ে চমু টোকা লিখক।

প্ৰশ্ন ২ ঃ মুখ্য সচিবৰ নিয়ুক্তি আৰু পদাবধিৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ ৰাজ্যিক সচিবালয়ৰ সেৱামূলক কাৰ্যাৱলীৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ ৰাজ্যিক সচিবালয়ৰ সাংগঠনিক গাঁথনিৰ বিষয়ে আলোচনা আগবঢ়াওক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাজ্যিক সচিবালয়ৰ গাঁথনি আৰু কাৰ্যাৱলীৰ বিষয়ে বিস্তৃত আলোচনা আগবঢাওক।

প্ৰশ্ন ২ ঃ মুখ্য সচিবৰ কাৰ্যাৱলীৰ সম্পৰ্কে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ ৰাজ্যিক প্ৰশাসনত মুখ্য সচিবৰ ভূমিকা আৰু গুৰুত্বৰ বিষয়ে লিখক।

*** ***** ***